অধ্যায় ১৩ ঃ টিভি সংবাদৰ বাবে সাংবাদিকতা (REPORTING FOR TV NEWS)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ টিভি সাংবাদিকতাৰ সৈতে পৰিচয়
১৩.৪ টিভি সাংবাদিকৰ কৰ্তব্য, গুণ আৰু দায়িত্ব
১৩.৫ টিভি সংবাদৰ উৎস
১৩.৬ টিভি সাংবাদিকতাৰ নতুন ধাৰা
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্রগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংবাদ সংগ্রহ আৰু প্রেৰণৰ কৌশলসমূহ আলোচনা কৰিব পাৰিব
- এগৰাকী সাংবাদিকৰ কৰ্তব্য আৰু দায়িত্ব অনুধাৱন কৰিব পাৰিব
- বিভিন্ন সংবাদ উৎসৰ সৈতে পৰিচিত হ'ব পাৰিব
- সাংবাদিকতাৰ নকৈ উদ্ভাৱিত হোৱা ধাৰাসমূহৰ সম্যক আভাস পাব।

১৩.২ পৰিচয়

অতিৰিক্তভাৱে দৃশ্য উপাদান সংলগ্ন হোৱা হেতুকে টিভি নিউজ বুলেটিন এখন যুগুত আৰু প্রযোজনা কৰাটো ৰেডিঅ' আৰু বাতৰি কাকতৰ তুলনাত অধিক জটিল। এই জটিলতা অতিক্রম কৰিবলৈ টিভি সংবাদৰ বাবে এটা বৃহৎ প্রযোজনা দল থাকে আৰু বুলেটিন এখন যুগুত কৰিবলৈ বিভিন্ন কৌশলৰ ব্যৱহাৰ আৰু অধিক সমন্বিত প্রচেষ্টাৰ প্রয়োজন।

এই অধ্যায়টিৰ জৰিয়তে আমি আপোনালোকক টিভিৰ বাবে সংবাদ সংগ্রহ আৰু প্রেৰণৰ মৌলিক কথাসমূহৰ লগতে এগৰাকী টিভি সাংবাদিকৰ দায়িত্ব তথা কি কি গুণ থকা উচিত সেই বিষয়েও জনোৱাৰ প্রয়াস কৰিম। ইয়াৰ উপৰি বিভিন্ন সংবাদ উৎস তথা বর্তমান নকৈ আত্মপ্রকাশ কৰা সাংবাদিকতাৰ ধাৰাসমূহ, যিবোৰৰ বিষয়ে প্রচাৰ মাধ্যমৰ সৈতে জড়িত বৃত্তিধাৰী হিচাপে আপোনালোকে জনা উচিত, সেইবোৰৰ বিষয়েও আলোচনা কৰা হ'ব।

তেনেহ'লে টিভি সাংবাদিকতাৰ প্ৰাথমিক পৰিচয়ৰে এই অধ্যায়টিৰ পাতনি মেলো আহক।

১৩.৩ টিভি সাংবাদিকতাৰ সৈতে পৰিচয় (INTRODUCTION TO TV REPORTING)

পৃথিৱীৰ কোনো প্ৰান্তত যদি যুদ্ধৰ সূচনা হৈছে, প্ৰাকৃতিক দুৰ্যোগ ঘটিছে নাইবা কোনো অসামৰিক অস্থিৰতাৰ সৃষ্টি হৈছে, তেন্তে তেনে স্থানত টেলিভিছন সংবাদদাতাৰ উপস্থিতি নিশ্চিত। বৈদ্যুতিক সংবাদ সংগ্ৰহ প্ৰযুক্তিৰ ফলত (Electronic News Gathering) আমি সম্প্ৰতি প্ৰতিটো ঘটনাৰ প্ৰত্যক্ষদৰ্শী হোৱাৰ সুযোগ লাভ কৰিছো।

বিগত ৫০ বছৰত আমি সততে দেখি আহিছো যে ছপা শব্দৰ অপৰিসীম শক্তি আছে। কিন্তু ছবি দেখা পোৱাৰ সুবিধাটোৰ বাবে, বিশেষকৈ টেলিভিছনৰ পৰ্দাত জিলিকি উঠা ছবিবোৰৰ বাবে যিকোনো ঘটনাই অধিক ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ ধাৰণ কৰিছে কাৰণ চকুৰে দেখাটোৱেই হৈছে বিশ্বাসযোগ্য।

শেহতীয়াভাৱে ২০০৮ চনৰ ২৬ নবেম্বৰত মুম্বাইত সন্ত্ৰাসবাদীয়ে কৰা আক্ৰমণৰ ফলত ২০০তকৈও অধিক ব্যক্তিৰ প্ৰাণহানি হোৱাৰ বাতৰি পৰিৱেশন কৰি টিভিয়ে দেশ আৰু বিশ্বৰ অধিকাংশ নাগৰিককে ক্ষোভ আৰু দুখৰ অনুভূতিৰে ওচৰ চপাই আনিবলৈ সক্ষম হৈছিল। ২০০১ চনৰ ছেপ্টেম্বৰ মাহত আমেৰিকাই এনে ঘৃণনীয় সন্ত্ৰাসবাদী আক্ৰমণৰ সন্মুখীন হোৱাৰ সময়তো একে ধৰণৰ আবেগৰ উদ্ৰেক কৰিবলৈ টেলিভিছন সফল হৈছিল। মুম্বাই কাণ্ডৰ চলন্ত সম্প্ৰচাৰ কৰি টেলিভিছনে আমাক সকলোকে একেলগে সেই ভয়ানক সময়চোৱাৰ সাক্ষী কৰি তুলিলে।

দূৰদৰ্শনে ষ্টুডিঅ'ৰ ভিতৰতে দৃশ্যগ্ৰহণ কৰি দিনৰ নিৰ্দিষ্ট সময় একোটাত সম্প্ৰচাৰ কৰা নিউজ বুলেটিন চোৱাৰ কাল উকলি যোৱা বুলিলেও বঢ়াই কোৱা নহ'ব। সময়ৰ পৰিৱৰ্তনৰ লগে লগে প্ৰযুক্তিও সলনি হৈছে। নতুন প্ৰযুক্তিগত বিকাশে টেলিভিছন সংবাদৰ বিন্যাস আৰু শৈলীৰো পৰিৱৰ্তন সাধন কৰিছে। আজি আমি কেৱল সমগ্ৰ বিশ্বতে সংঘটিত গুৰুত্বপূৰ্ণ ঘটনাসমূহৰ 'লাইভ' বিৱৰণি দেখা পোৱাই নহয়, বিশ্বৰ বিভিন্ন ঠাইৰ শত-সহস্ৰ সংবাদ ছেনেলে আমাক সমগ্ৰ দিন এটাত ঘটা সকলো সৰু-বৰ ঘটনা আৰু তথ্য অহৰ্নিশে ঘটনা সংঘটিত হোৱাৰ মুহূৰ্তত যোগান ধৰি আছে।

বৈদ্যুতিক সংবাদ সংগ্ৰহ (Electronic News Gathering/ ENG) আৰু বৈদ্যুতিক ক্ষেত্ৰভিত্তিক প্ৰযোজনা (Electronic Field Production/ EFP) হ'ল এনে দুটা প্ৰযুক্তি যিয়ে বিশ্বৰ বিভিন্ন স্থানৰ মাজত তথ্য বিনিময়ৰ বিভক্তি শক্তিৰ (Quantum of Information Exchange) আমূল পৰিৱৰ্তন সাধন কৰিছে।

২৪ ঘণ্টাই সংবাদ পৰিৱেশন কৰা সংবাদ চেনেলৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে 'এক্সক্লুছিভ' (Exclusive) আৰু 'ব্ৰেকিং নিউজ ষ্টোৰী'ৰ (Breaking News Story) নামত বহুতো ছেনেলে

সীমা চেৰাই যাব খোজাৰ প্ৰৱণতা দেখুৱায়। কোনো কোনো ঘটনাক অধিক চাঞ্চল্যকৰ কৰি তোলে। কোৱা বাহুল্য যে টেলিভিছন সাংবাদিকতা মাজে সময়ে দৰ্শকৰ ক্ষুৰধাৰ সমালোচনাৰ সন্মুখীন হয়। কিন্তু তথাপিও আমি এটা কথা মনত ৰাখিব লাগিব য়ে টেলিভিছন সাংবাদিকতাই সমগ্ৰ মানৱ জাতিৰ হকে যিমানবোৰ কাম কৰিছে সিমান কাম নিচেই কম সংখ্যক প্ৰযুক্তিগতভাৱে বিকশিত মাধ্যমেহে কৰা বুলি দাবী কৰিব পাৰে। দুৰ্ভাগ্যজনক ঘটনা এটা ঘটা বুলি শুনাৰ লগে লগে আপুনি টিভি সংবাদ চেনেল এটা নোচোৱাকৈ থকাৰ কথা ভাবিব পাৰিব জানো? টেলিভিছন সংবাদ অবিহনে আমি গুজৰাটৰ ভূমিকম্পৰ ধ্বংসলীলা অথবা ছুনামীৰ ভয়াবহতা দেখা পালোহেঁতেননে? টেলিভিছন সংবাদ নথকা হ'লে আপুনি ছাদ্দাম হুছেইনৰ জীৱনৰ শেষ মূহুৰ্তকেইটা অথবা ঐশ্বৰ্য ৰায়ে বিশ্বসুন্দৰীৰ মুকুট পিন্ধাৰ দৃশ্য প্ৰত্যক্ষ কৰিবলৈ পালেহেঁতেন জানো?

টেলিভিছন সংবাদ আমাৰ জীৱনৰ অভিন্ন অংশ হৈ পৰিছে। সদায়েই সুন্দৰ মুখাবয়ৱৰ অধিকাৰী বাতৰি পঢ়োতা এগৰাকীয়ে পঢ়া বাতৰিৰ শিৰোনামকেইটাত এপলক চকু নিদিয়াকৈ আজিকালি পুৱা ঘৰৰ পৰা ওলোৱাৰ কথা ভাবিবও নোৱাৰা পৰ্যায় এটা আহি পৰিছেহি। আমাৰ হাতত সংবাদ সংগ্ৰহ কৰাৰ আন বহুতো উপায় আছে ঠিকেই, কিন্তু কোনো প্ৰচাৰ মাধ্যমেই টেলিভিছনৰ সমান প্ৰভাৱশালী তথা শক্তিশালী নহয়। আমি সকলোৱে জানো যে 'ছবি এখনে হাজাৰটা কথা ক'ব পাৰে।' যদি এখন স্থিৰ চিত্ৰৰ ইমান শক্তি আছে, তেন্তে গতিশীল ছবিয়ে কেনে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে আৰু সেই গতিশীল চিত্ৰক যদি সমগ্ৰ বিশ্ববাসীয়ে পোনপটীয়াভাৱে চাবলৈ পায় সেয়া কল্পনা কৰকচোন।

১৩.৪ টিভি সাংবাদিকৰ কৰ্তব্য, গুণ আৰু দায়িত্ব (DUTIES, QUALITIES AND RESPONSIBILITIES OF TV REPORTER)

এটা টেলিভিছন ষ্টেশ্যনৰ প্ৰতিষ্ঠা আৰু নিৰ্ভৰযোগ্যতা ইয়াৰ সাংবাদিকসকলৰ ওপৰত নিৰ্ভৰশীল। দৰ্শক যিখন দেশৰ বাসিন্দা সেই দেশখনৰ চৌদিশে কি ঘটি আছে, দৰ্শক যিখন ৰাজ্যৰ বাসিন্দা সেই ৰাজ্যখনৰ ক'ত কি ঘটি আছে, দৰ্শকৰ যিখন দেশত জন্ম তাত কি ঘটনা ঘটিছে আৰু সামগ্ৰিকভাৱে সমগ্ৰ বিশ্বতে সৃষ্টি হোৱা বিভিন্ন তথ্য অৱগত কৰি দৰ্শকক সমৃদ্ধ কৰি তোলা সাংবাদিকসকল হ'ল একোটা টিভি ষ্টেশ্যনৰ চালিকা শক্তি। কোনো মানসিক বাধা আৰু পক্ষপাতিত্বমূলক আচৰণৰ ওচৰত সেও নমনাকৈ তেওঁলোকে যথাৰ্থৰূপত সংবাদ আৰু দৃষ্টিভংগীসমূহ উপস্থাপন কৰে। তেওঁলোকে কোনো ঘটনা, সামাজিক-ৰাজনৈতিক অথবা অৰ্থনৈতিক দিশৰ পৰা গুৰুত্বপূৰ্ণ অনুষ্ঠান-কাৰ্যসূচী-পৰিঘটনা আদিৰ আভ্যন্তৰত প্ৰৱেশ কৰি মূল কাৰণসমূহ বিচাৰি উলিয়াই। সেইবোৰৰ যোগসূত্ৰ স্থাপন কৰি সাংবাদিকসকলে সম্পূৰ্ণ তথ্য সম্বলিত ভাষ্য আমাৰ সন্মুখত দাঙি ধৰে। এই ভাষ্যত কাৰণ এটা বিভিন্ন দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰি বিষদ ব্যাখ্যা দাঙি ধৰা হয়। সাংবাদিকে উপস্থাপন কৰা প্ৰতিবেদনৰ পৰাই দৰ্শকে নিজৰ

তথ্যপূর্ণ অভিমত গঢ়ি তোলে। ইয়াৰ দ্বাৰা কোনো বিশেষ বিষয় অথবা সমস্যা সন্দর্ভত জনমত সৃষ্টি কৰাৰ পথ সুচল হৈ পৰে।

এগৰাকী ভাল টিভি সাংবাদিকৰ কিছুমান বিশেষ গুণ তথা বৈশিষ্ট্য থাকিব লাগে। কর্মত পাৰদর্শিতা প্রমাণ কৰিবলৈ এগৰাকী টেলিভিছন সাংবাদিকৰ কিছুমান প্রয়োজনীয় মৌলিক অর্হতা থকা উচিত। তলত ইয়াৰে কেইটামানৰ বিষয়ে উল্লেৰ কৰা হ'ল ঃ

জ্ঞান, দক্ষতা আৰু সামর্থ (Knowledge, Skills & Ability) ঃ

১) **যথার্থতা (Accuracy) ঃ** সাংবাদিক এগৰাকীয়ে সম্পূর্ণ অভিযোগহীন সত্য তথ্য আহৰণ কৰিব লাগিব। অনুমান, সন্দেহ আৰু অসাৱধানতাৰে পৰীক্ষা কৰা তথ্যৰ ভিত্তিত যুগুত কৰা সংবাদে বিপর্যয় মাতি আনিব পাৰে। সাংবাদিক এগৰাকীয়ে নিজৰ লক্ষ্যৰূপে এই শ্লগানটো মানি চলিব লাগে— "সদায় প্রথম সংবাদ আহৰণকাৰী হওঁক, কিন্তু প্রথমে সংবাদটো শুদ্ধকৈ জানি লওঁক।"

২) **সুলেখন দক্ষতা (Good Writing Skills) ঃ** টেলিভিছনৰ বাবে লিখিবলৈ উৎকৃষ্ট দক্ষতা থকা উচিত। ইয়াৰ কাৰণ হ'ল টেলিভিছন সাংবাদিকে নিজৰ প্রতিবেদন দাখিল কৰিবলৈ অতি কম সময় লাভ কৰে। যিকণ সময় পায় সেইকণতে তেওঁলোকে বাতৰি একোটা স্পষ্ট, সংক্ষিপ্ত আৰু প্রভাৱশালী ৰূপত জুকিয়াই প্রস্তুত কৰিবলগীয়া হয়।

৩) **সততা (Integrity) ঃ** বিভিন্ন পক্ষৰ হেঁচাৰ বলি হোৱা টেলিভিছন সংবাদ প্রতিবেদন এখনৰ বৈশিষ্ট্যটো হ'ল ইয়াৰ যথার্থতা। স্বার্থৰ প্রতিকূল কোনো সংবাদ পৰিৱেশন কৰাৰ লগে লগে সাংবাদিক এগৰাকী প্রায়েই ৰাজনৈতিক নেতা অথবা অন্য কোনো বিশিষ্ট ব্যক্তিৰ ৰোষৰ বলি হ'বলগীয়া হয়। এনে সময়ত সাংবাদিক এগৰাকীয়ে নিজৰ সততা অক্ষুণ্ণ ৰাখি বিভিন্ন দিশৰ পৰা পোৱা হেঁচা প্রতিৰোধ কৰি নিজৰ স্থিতিত অটল হৈ থাকিব পৰাকৈ দক্ষতা অর্জন কৰা উচিত।

৪) **বিশ্লেষণ দক্ষতা (Analytical) ঃ** কি ঘটিল সেয়া পোনে পোনে বর্ণনা কৰাতেই সংবাদ প্রতিবেদন এখন সামৰণি নপৰে। এগৰাকী সাংবাদিকে ঘটনা এটা চিনাক্ত কৰি তাত বিভিন্ন দিশ সাঙুৰি চালি-জাৰি চাবলৈ শিকিব লাগিব। দর্শকক কি, ক'ত, কেনেকৈ, কেতিয়া, কিয় আদি প্রশ্নৰ উত্তৰ দিয়াৰ উপৰি সাংবাদিক এগৰাকীয়ে বিভিন্ন ঘটনাৰ মাজত যোগসূত্র স্থাপন কৰিব পাৰিব লাগিব। ঘটনাবোৰৰ প্রসংগৰ সৈতে থকা সম্পর্ক বিশ্লেষণ কৰিবলৈও সাংবাদিক এগৰাকী সক্ষম হোৱা উচিত।

৫) **অভিব্যক্তিৰ স্পষ্টতা (Clarity of Expression) ঃ** সাংবাদিক এগৰাকীয়ে লেখনি আৰু কথন উভয় দিশতে তেওঁ কি ক'ব বিচাৰিছে সেয়া স্পষ্ট ৰূপত ফুটাই তুলিবলৈ সমর্থ হোৱা উচিত। টেলিভিছন সাংবাদিকৰ প্রভাৱশালী মৌখিক অভিব্যক্তিৰ প্রয়োজন হোৱাৰ আঁৰৰ কাৰণটো হ'ল সাংবাদিক এগৰাকীয়ে কর্মক্ষেত্রত প্রায়েই বিভিন্ন ব্যক্তিৰ সাক্ষাৎকাৰ গ্রহণ কৰিবলগীয়া হয়। লগতে তেওঁ প্রায়েই দর্শকক সংবাদ এটাৰ বিস্তৃত

বিৱৰণী দিবলগীয়া হয়। সেয়েহে তেওঁ লিখা আৰু কোৱা প্ৰতিটো শব্দ স্পষ্ট আৰু দ্বৰ্থহীন হোৱা উচিত।

৬) **আকৰ্ষণীয় ব্যক্তিত্ব (Pleasant Personality) ঃ** সাংবাদিকগৰাকী আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী হোৱা উচিত। সংবাদ ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তি হিচাপে নিজৰ সততা বৰ্তাই ৰখা আৰু বৃত্তিগত পাৰদৰ্শিতা অৰ্জন কৰাৰ পাছত টিভি সাংবাদিক এগৰাকীয়ে দৰ্শকৰ সন্মুখত এটা আকৰ্ষণীয় আৰু বন্ধুত্বসূলভ ব্যক্তিত্বৰ পৰিচয় দিয়া উচিত। আকৰ্ষণীয় বুলিলে কেৱল দৈহিক সৌন্দৰ্যৰ কথাকে বুজোৱা নহয়। ই হ'ল দৰ্শকৰ সৈতে সম্পৰ্ক স্থাপন কৰাত সহায়কৰ ভূমিকা লোৱা ব্যক্তিত্বৰ সৈতে জড়িত আন কিছুমান কাৰক। এইবোৰে সাংবাদিক এগৰাকী আৰু তেওঁৰ দৰ্শকৰ মাজত পাৰস্পৰিক আস্থা অথবা আবেগিক সম্পৰ্ক গঢ় লৈ উঠাত সহায় কৰে।

৭) **সূক্ষ্ম বিবেচনাপূৰ্ণতা (Tactfulness) ঃ** এগৰাকী টিভি সাংবাদিকে ব্যক্তি ভেদে ভিন্ন আচৰণ কৰাৰ দক্ষতা অৰ্জন কৰিব লাগে। কাৰণ টিভি সাংবাদিকে প্ৰায়েই বিভিন্ন জটিল আৰু প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত কাম কৰিবলগীয়া হয় অথবা জনতাৰ উন্মত্ত আচৰণৰ মুখামুখি হ'বলগীয়া হয়। এনে সময়ত সংশ্লিষ্ট সকলো পক্ষৰ সৈতে বিচাৰ-বুদ্ধি সহকাৰে কথা-বতৰা পাতি পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে নিজ দায়িত্ব সম্পন্ন কৰাটোও সাংবাদিকগৰাকীৰ কৰ্তব্য।

৮) **দ্ৰুততা (Speed) ঃ** এইটো হ'ল টিভি সাংবাদিকৰ গাত থাকিবলগীয়া প্ৰয়োজনীয় গুণবোৰৰ মাজৰ এটা গুণ। এগৰাকী সাংবাদিকে ন্যূনতম সময়ৰ ভিতৰত দুৰ্ঘটনা, দুৰ্যোগ আৰু অন্য ক্ষেত্ৰভিত্তিক বাতৰিবোৰ সামৰি ল'ব পাৰিব লাগে। অন্যথা এনে ঘটনা একোটাই নিৰ্ধাৰিত সময় সীমা হেৰুৱাব লাগে। তেনে হোৱা মানেই ঘটনাটোৰ গুৰুত্ব নাইকিয়া হোৱা।

৯) **আৱিষ্কাৰ ক্ষমতা (Ingenuity) ঃ** এগৰাকী টিভি সাংবাদিকে সদায় সংবাদ সংগ্ৰহ প্ৰক্ৰিয়াটোত মৌলিকতাৰ সন্ধান কৰিব লাগে। এই কথাটো অনুসন্ধানমূলক সাংবাদিকতাৰ (Investigative Journalism) ক্ষেত্ৰত বিশেষভাৱে প্ৰযোজ্য। তথ্য সংগ্ৰহৰ ক্ষেত্ৰত সাংবাদিক এগৰাকীয়ে সুবিবেচনাপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব লাগিব। একেদৰে তেওঁ কাৰ্যকৰীভাৱে জৰুৰী আৰু অলাগতিয়াল তথ্য পৃথক কৰিবলৈ জনা উচিত। দৰ্শকে কোনবোৰ কথা জনা উচিত আৰু কোনবোৰ তথ্যই বাতৰি এটাৰ সম্পূৰ্ণ আৰু সঠিক প্ৰতিবেদন সৃষ্টি কৰিব সেয়া নিৰ্ধাৰণ কৰি সাংবাদিক গৰাকীয়ে অপ্ৰয়োজনীয় কথাবোৰ বাদ দিয়াৰ দক্ষতা আহৰণ কৰিব লাগিব।

১০) **সু-সম্পৰ্কৰ জাল গঠন (Good Networking) ঃ** এগৰাকী টিভি সাংবাদিকে তেওঁৰ সংবাদ উৎসবোৰৰ বিষয়ে বিতংকৈ জনা উচিত। ইয়াৰ ফলত বাতৰি যোগনিয়াৰ হিচাপে সেই উৎসবোৰৰ বিশ্বাসযোগ্যতা সম্পৰ্কে তেওঁ সুনিশ্চিত হ'ব পাৰিব। এগৰাকী টিভি সাংবাদিকৰ মানুহৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ দক্ষতা থাকিব লাগিব। তেওঁৰ হাতত

বন্ধু আৰু সহায়কৰ এখন দীঘলীয়া তালিকা থকা উচিত যাতে কোনো সংবাদৰ সৃষ্টি হোৱাৰ লগে লগে এই তালিকাত সন্নিৱিষ্ট ব্যক্তিসকলৰ পৰা প্ৰয়োজনীয় তথ্য আহৰণ কৰিব পৰা যায়। কোনো ঘটনাৰ বিষয়ে কৰ্তৃত্বশীল পক্ষ হিচাপে তথ্য যোগান ধৰিব পৰা লোকসকলক সাংবাদিক এগৰাকীয়ে ঘনিষ্ঠভাৱে জনা উচিত। এগৰাকী টিভি সাংবাদিকে পুলিচৰ সৈতেও প্ৰয়োজনৰ সময়ত কামত অহা পৰ্যায়ৰ সুসম্পৰ্ক বজাই ৰাখিব লাগে।

১১) **দায়িত্ববোধ (Diligence)** ঃ সংবাদৰ নামত তথ্য সংগ্ৰহ কৰাটোৱেই একমাত্ৰ কাম নহয়। এগৰাকী টিভি সাংবাদিকেও আন সাংবাদিকসকলৰ দৰে নিজৰ দায়িত্ববোধৰ পৰিচয় দিব লাগে। সংবাদ এটাৰ সৈতে জড়িত নাম, ঠিকনা আৰু ব্যক্তিৰ পদবীসমূহৰ সত্যাসত্য পৰীক্ষা কৰি, পুনৰবাৰ মিলাই চাইহে প্ৰতিবেদন এখন যুগুত কৰা উচিত।

১২) **বহুমুখিতা (Versatility)** ঃ এগৰাকী টিভি সাংবাদিকৰ অপৰাধ, ব্যৱসায়, ৰাজনীতি, ক্ৰীড়া ইত্যাদি বিভিন্ন বিষয়ৰ বিশদ জ্ঞান থকা উচিত। 'লাইভ' (Live) সংবাদ প্ৰেৰণ কৰি থকা সাংবাদিক এগৰাকীয়ে প্ৰায়েই ঠাইতে স্বতঃস্ফূৰ্তভাৱে কথা কৈ থাকিব লাগে (Add Libbing)। এই দিশত দক্ষ হ'বলৈ সাংবাদিকসকলৰ সেয়েহে বিভিন্ন বিষয়ৰ বিতং জ্ঞান থাকিব লাগে।

১৩) **জ্ঞান (Knowledge)** ঃ এগৰাকী ভাল সাংবাদিকৰ সাধাৰণ জ্ঞানৰ ভঁৰাল অতি চহকী হোৱা উচিত। তেওঁৰ অভিজ্ঞতাৰ পৰিসৰ অতি ব্যাপক হ'ব লাগে। ই তেওঁক বিভিন্ন বিষয় আৰু দিশ বুজাত সহায় কৰে। ইয়াৰ উপৰি তেওঁ সহজে এটা দিশৰ আলোচনাৰ পৰা আন এটা দিশৰ আলোচনালৈ গতি কৰিব পাৰে। সাংবাদিক এগৰাকীৰ সাম্প্ৰতিক স্থানীয় সংবাদ আৰু সংবাদ সৃষ্টিকাৰীসকলৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকাৰ লগতে এটা দৃঢ় সংবাদ বিচাৰ (Solid News Judgement) থাকিব লাগিব। কোনো ঘটনা সম্পৰ্কে সংবাদ প্ৰস্তুত কৰি থকা সাংবাদিকগৰাকীয়ে ঘটনাটোৰ সমস্ত তথ্য বুজি পাব লাগিব। ইয়ে তেওঁক তথ্যবোৰ গুৰুত্বক্ৰম (Order of Importance) অনুসৰি সজোৱাত সহায় কৰিব। এনেদৰে তেওঁ ঘটনাসমূহকো অগ্ৰাধিকাৰ ভিত্তিত সজাই প্ৰতিবেদন যুগুত কৰাৰ দক্ষতা আহৰণ কৰিব।

১৪) **অনুসন্ধিৎসা (Curiosity)** ঃ এগৰাকী সু-সাংবাদিকৰ মনত সদায় ঘটনা এটাৰ আভ্যন্তৰত প্ৰৱেশ কৰাৰ প্ৰৱণতা থকা উচিত। তেওঁ ঘটনাবোৰ সদায় প্ৰশ্নবোধক দৃষ্টিৰে চালি-জাৰি চাব লাগে। ব্যক্তি, ঘটনা, কাৰ্যসূচী আদিৰ বিষয়ে তথ্য খুচৰিব লাগে। কোনো বিষয় ভালদৰে বুজিবলৈ সাংবাদিক এগৰাকীয়ে সময় সাপেক্ষে সন্দেহ প্ৰৱণতাও প্ৰকাশ কৰিব লাগে।

১৫) **প্ৰযুক্তিগত বিচক্ষণতা (Techno Savvy)** ঃ আজিকালি সাংবাদিক এগৰাকীৰ থাকিবলগীয়া অতি প্ৰয়োজনীয় অৰ্হতা এটা হ'ল কম্পিউটাৰ, ফেক্স মেছিন, কপিয়াৰ আদি সততে ব্যৱহৃত কাৰ্যালয় সংলগ্ন যন্ত্ৰ-পাতি ব্যৱহাৰ কৰিবলৈ জনাটো। সাংবাদিক

এগৰাকীয়ে উমৈহতীয়া টেলিভিছন সংবাদ কক্ষ কম্পিউটাৰ পদ্ধতি আৰু ছ'ফ্টৱেৰৰ ব্যৱহাৰ জানিব লাগে তথা এই সম্পৰ্কে পৰ্যাপ্ত জ্ঞান থকা উচিত। লগতে তেওঁৰ নতুন ছ'ফ্টৱেৰ পদ্ধতি সম্পৰ্কে শিকাৰো সামৰ্থ থাকিব লাগে। সাংবাদিক এগৰাকী কাৰ্যালয়ৰ কাৰ্যকৰী তথা কাৰ্যালয় নীতি আৰু প্ৰক্ৰিয়াসমূহৰ বিষয়েও সম্পূৰ্ণ জ্ঞাত হ'ব লাগিব। তেওঁৰ সংবাদৰ ভিডিঅ' সম্পাদনা পদ্ধতি, নন-লিনীয়াৰ পদ্ধতি (Non-Linear) আৰু/ অথবা 'ডেস্কট'প' (Desktop) ভিত্তিক সম্পাদনা সম্পৰ্কে কিছু পূৰ্ব অভিজ্ঞতা নাইবা কাম চলাবপৰা বিধৰ জ্ঞান থকা উচিত। এগৰাকী টিভি সাংবাদিকৰ কেমেৰা চলোৱাৰ কৌশল সম্পৰ্কেও কিছু প্ৰাথমিক জ্ঞান থাকিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ই.এফ.পি. (EFP) মানে কি?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ টেলিভিছন সাংবাদিক এগৰাকী কিয় প্ৰযুক্তিগতভাৱে বিচক্ষণ (Techno Savvy) হ'ব লাগে?

.....

.....

.....

.....

.....

.....

.....

.....

১৩.৫ টিভি সংবাদৰ উৎস (SOURCES OF TV NEWS)

আমি সকলোৱে জানো যে সংবাদ চেনেল এটাই আৰু ইয়াত কৰ্মৰত সাংবাদিকসকলে দৰ্শকৰ জীৱন প্ৰভাৱিত কৰা বাতৰি আৰু ঘটনাৰ প্ৰতিটো মুহূৰ্ত সম্প্ৰচাৰ কৰি নিজৰ নিজৰ প্ৰতিষ্ঠা গঢ়ি তোলে। বাতৰি আৰু ঘটনাবোৰৰ সঠিক আৰু যথাৰ্থ বিৱৰণীৰ ওপৰতো প্ৰতিষ্ঠাৰ

দিশটো নির্ভৰশীল। কোনো উৰাবাতৰি, অভিযোগ নাইবা বাতৰি যোগান ধৰোতাৰ সূত্র একোটা ঘটনা এটা সৃষ্টিৰ আঁৰৰ কাৰক হ'ব পাৰে। কিন্তু বিশ্বস্ত আৰু প্রতিষ্ঠিত সূত্রই নিশ্চিতি প্রদান নকৰা পর্যন্ত তেনে তথ্যই এটা সংবাদৰ ৰূপ ল'ব নোৱাৰে।

টেলিভিছন সংবাদ কক্ষই সাধাৰণতে তথ্য প্রচাৰ মাধ্যমে ব্যৱহাৰ কৰা সংবাদ উৎসবোৰকে ব্যৱহাৰ কৰে। কিন্তু শেহতীয়াভাৱে টেলিভিছন সংবাদ চেনেলবোৰে পৰম্পৰাগত সংবাদ উৎসবোৰৰ লগতে বর্দ্ধিত হাৰত ছেটেলাইট/'মাইক্র'ৱেভ ভিডিঅ' ফীড' সেৱা তথা সংঘবদ্ধ ভিডিঅ' বিৱৰণীৰ (Syndicated Video Coverage) সহায় লোৱাটো পৰিলক্ষিত হৈছে।

সংবাদ এজেন্সীসমূহ (News Agencies) ঃ টেলিভিছন সংবাদৰ প্রাথমিক উৎস হৈছে সংবাদ তাঁৰ সেৱা (News Wire Services) অথবা 'প্রেছ ট্রাষ্ট অফ ইণ্ডিয়া' (PTI) আৰু 'ইউনাইটেড নিউজ অৱ ইণ্ডিয়াকে' (UNI) আদি কৰি আন বহুতো সংবাদ এজেন্সীয়ে আগবঢ়োৱা তথ্য।

তাঁৰ সেৱাই প্রেৰণ কৰা স্থিৰ চিত্রসমূহো টেলিভিছন সংবাদত অন্তর্ভুক্ত কৰা হয়। গতিশীল ছবি সহজলভ্য নোহোৱা শেহতীয়া 'ব্রেকিং নিউজ' অর্থাৎ হঠাতে বাতৰিৰ শিৰোনাম দখল কৰা সংবাদৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য।

সংবাদ সংগ্রহ আৰু সংবাদ বিতৰণৰ কামত জড়িত আন্তঃৰাষ্ট্রীয় পর্যায়ৰ তথ্য যোগান ধৰি সংবাদ চাহিদা পূৰণ কৰা আন কেইটামান সংবাদ এজেন্সী হ'ল উপসাগৰীয় যুদ্ধৰ (Gulf War) সময়ত টেলিভিছন সংবাদৰ প্রতিবেদন দাখিল কৰাৰ শৈলীটোৰ আমূল পৰিৱর্তন সাধন কৰা কেবল্ নিউজ নে'টৱর্ক (CNN), ক'নাছ (CONUS), এছোছিয়েট প্রেছ (AP) আৰু ইউনাইটেড প্রেছ ইণ্টাৰনেশ্যনেল (UPI)। টিভি/ৱেডিঅ' সংবাদ প্রচাৰ নিগম তথা সদস্য ষ্টেশ্যনৰ মালিকীস্বত্ব থকা প্রতিষ্ঠানৰ লগতে বাতৰি-কাকতেও সংবাদ স্রোতৰ সুচল প্রবাহ অব্যাহত ৰাখে। উদাহৰণ-স্বৰূপে কম্পিউটাৰ সংবাদ পদ্ধতি সংলগ্ন ভাৰত সঞ্চাৰ নিগম লিমিটেডে (BSNL) দেশ তথা বিদেশত থকা সকলোবোৰ কেন্দ্রকে 'ফীডিং'-ৰ যোগান ধৰে। ভাৰত চৰকাৰে ১৯৯৭ চনৰ ছেপ্টেম্বৰ মাহত 'ইণ্টাৰনেট চার্ভিছ প্র'ভাইদাৰ'ৰ সেৱা মুকলি কৰে। ইয়াৰ লক্ষ্য হ'ল উন্নত ডেটা (তথ্য) প্রেৰণ সেৱাৰে (Improved Date Transmission Services) ৰাষ্ট্রীয় তথ্য যোগান প্রক্রিয়াটোৰ ৰাজহাড় শক্তিশালী কৰি তোলে। ছেলুলাৰ টেলিফোনে যেনেকৈ ৱেডিঅ'লৈ সংবাদ প্রেৰণ কৰা প্রক্রিয়াটো অধিক সহজ কৰি তুলিছে ঠিক একেদৰে ছেটেলাইট সংবাদ সংগ্রহ (SNG/Satellite News Gathering) কৰা যন্ত্রপাতিবোৰে টিভি সাংবাদিকতাকো এক নতুন মাত্রা প্রদান কৰিছে। ইয়াৰ বাবে ৰয়টাৰছ (Reuters), এ.এন.আই. (ANI) আৰু ইউ.পি.আইৰ (UPI) দৰে এজেন্সীবোৰক প্রায়েই 'টাউন ক্রায়াৰছ' বুলি (Town Criers) অভিহিত কৰা হয়। এই এজেন্সীবোৰে পালন কৰা ভূমিকাসমূহেও এনে 'উপনাম' এটা সৃষ্টিত অৰিহণা যোগাইছে।

আভ্যন্তৰীণ/ঘৰুৱা উৎস (In House Sources) ঃ কোনো ঘটনাৰ সৈতে জড়িত তথ্য উদঘাটনৰ ক্ষেত্রত আপোনাৰ নিজস্ব সংবাদ কক্ষটোও এটা উৎস হ'ব পাৰে। বৃত্তিগতভাৱে সেৱা আগবঢ়োৱা সংবাদ এজেন্সীবোৰৰ সেৱা গ্রহণ কৰাৰ উপৰি বহুতো সংবাদ প্রযোজনা প্রতিষ্ঠানে

নিজা ৰবীয়াকৈ সংবাদদাতা, ষ্টাফ সাংবাদিক, কেমেৰা গোট আৰু ষ্ট্রিংগাৰক (Stringer) নিযুক্তি দিয়ে। এগৰাকী সাংবাদিকে সমাজ এখনৰ অতন্দ্র প্রহৰীৰ ভূমিকা পালন কৰিব পাৰে। কর্তৃপক্ষই অৱহেলা কৰা, তেওঁলোকৰ স্বৈৰাচাৰ অথবা অন্যায়ৰ বলি হোৱা বিভিন্ন বিষয়ৰ ওপৰত সাংবাদিকে চকু ৰাখিব পাৰে অথবা ৰাখে। এগৰাকী সাংবাদিকৰ লক্ষ্য আৰু ভূমিকাই তেওঁক বহুতো অঘোষিত অধিকাৰ আৰু ক্ষমতা প্রদান কৰে। অধিকাংশ ষ্টেশ্যনেই সংবাদদাতা/সাংবাদিকক নিযুক্তি দিয়ে। তেওঁলোকে অগ্নিকাণ্ড, দুর্ঘটনা, অধিৱেশনস্থলী ইত্যাদিলৈ কেমেৰা চলোৱা ব্যক্তিসকলৰ সৈতে গৈ সংবাদ সংগ্রহ কৰি প্রতিবেদন দাখিল কৰে। কেতিয়াবা দৃশ্যাংশ গোটোৱা সম্ভৱপৰ নহ'লে সাংবাদিকে একোটা 'ড্রাই ষ্টোৰি' (Dry Story) দাখিল কৰিবলগীয়া হয় অথবা কেমেৰাৰ সন্মুখলৈ আহি ঘটনাটো বর্ণনা কৰে।

ইয়াৰ উপৰি সংবাদ জগতখনত ফ্রীলান্সাৰ (Freelancer) আৰু পাপাৰাজ্জী (Paparazzi) সাংবাদিকো বিৰাজমান। দুর্ঘটনা, অগ্নিকাণ্ড, বানপানী, ভূমিকম্প আদিৰ দৰে ঘটনাবোৰ ঘটনাস্থলীতে তথ্য সংগ্রহ কৰাৰ প্রক্রিয়াটো ষ্টাফ সংবাদদাতাৰ বাবে প্রায়েই দুৰূহ হৈ পৰে। ঘটনাটো ঘটাৰ সময়ত তেওঁলোক ঘটনাস্থলীত উপস্থিত নাথাকিবও পাৰে। এনে ঘটনাবোৰ কেতিয়াবা অঞ্চলটো ভ্রমি ফুৰা 'ফ্রীলান্স' কেমেৰা পার্ছনে নিজ কেমেৰাৰে ধৰি ৰাখে। তেওঁলোকক ষ্ট্রিংগাৰ বুলি জনা যায়। পাছত এই ষ্ট্রিংগাৰসকলৰ পৰা এনে দৃশ্যাংশবোৰ কিনি লোৱা হয়। অপ্রত্যাশিত সংবাদৰ বাবে টিভি ষ্টেশ্যনবোৰে প্রায়েই ষ্ট্রিংগাৰৰ ওপৰতে নির্ভৰশীল কৰিবলগীয়া হয়। ষ্টাফ সংবাদদাতা সঠিক সময়ত ঘটনাস্থলীত উপস্থিত হ'ব নোৱাৰা বাবেই বহু ক্ষেত্রত এনে কৰিবলগীয়া হয়।

অন্য প্রচাৰ মাধ্যম (Other Media) ঃ বিভিন্ন ষ্টুডিঅ' আৰু ষ্টেশ্যনে ইটোৱে সিটোৰ পৰা তাঁৰ সেৱা আৰু স্থিৰ চিত্র ধাৰলৈ লয় অথবা ধাৰে দিয়ে। জৰুৰী সংবাদৰ বাবেই অধিকাংশ টেলিভিছ্ন ষ্টেশ্যনে ৰেডিঅ'ৰ বাতৰি আৰু ৰেডিঅ'ই টেলিভিছ্নৰ বাতৰি নিৰীক্ষণ কৰে। যদি সংবাদ এটা অতি গুৰুত্বপূর্ণ আৰু দৃশ্যাংশ সংগ্রহ কৰাৰ সময় নাথাকে, তেন্তে তেনে ঘটনাসমূহ 'ড্রাই' (Dry) ৰূপতেই সম্প্রচাৰ কৰা হয়।

ৰাজহুৱা উৎস (Public Sources) ঃ সাংবাদিকৰ বাবে বিভিন্ন ধৰণৰ সংগৃহীত ৰাজহুৱা তথ্য সহজলভ্য। চৰকাৰী প্রতিবেদন, ন্যায়ালয়ৰ নথি-পত্র, পুলিচৰ প্রতিবেদন, নগৰ পৰিষদৰ কার্যক্রমণিকা আদিক ৰাজহুৱা তথ্য হিচাপে গণ্য কৰা হয়। অৱশ্যে কোনো তথ্য ৰাজহুৱা হয়নে নহয় সেয়া স্থানীয়, ৰাজ্যিক আৰু ৰাষ্ট্রীয় আইন অনুসৰি নির্ধাৰণ কৰা হয়। যদি কোনো ৰাজহুৱা সম্পর্কৰক্ষী কোম্পানীয়ে (Public Relations Firm) আপোনালৈ কোনো প্রেছ বিজ্ঞপ্তি (News Release) প্রেৰণ কৰি জনায় যে তেওঁলোকৰ সেৱা গ্রহণ কৰা কোম্পানী এটাই গুৱাহাটীত সর্বোচ্চ বিল্ডিং এটা নির্মাণ কৰিছে, তেন্তে আপুনি কথাটোৰ সত্যাসত্য নিৰূপণ কৰিবলৈ গুৱাহাটী উন্নয়ণ প্রাধিকৰণ (Guwahati Development Authority) অথবা পৌৰনিগম কর্তৃপক্ষৰ বিষয়ৱবীয়াৰ সৈতে কথা পাতিব পাৰে। বিশ্বকোষ আৰু বর্ষপঞ্জীৰ দৰে গৱেষণাত সহায়ক হোৱা সংগৃহীত তথ্যবোৰকো ৰাজহুৱা উৎস বুলি গণ্য কৰিব পৰা যায়।



জানি থোৱা ভাল

সাংবাদিকৰ পৰীক্ষণ তালিকা (A Reporter's Checklist) ঃ 'ব্ৰডকাষ্ট নিউজ' হ'ল এটা তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক ব্যৱসায়। ঘটনা এটাক সংবাদৰ ৰূপ দি সম্প্ৰচাৰ কৰিবলৈ খৰখেদা কৰোতে কেতিয়াবা তথ্য অনুমান কৰা অথবা সন্দেহজনক উৎসৰ পৰা পোৱা তথ্য ব্যৱহাৰ কৰাৰ লোভনীয় তাড়না জাগিব পাৰে।

কিন্তু ঘটনাত ভুল তথ্য সংযোজনে ষ্টেশ্যন এটাৰ বিশ্বাসযোগ্যতা নাইকিয়া কৰাৰ লগতে সাংবাদিকজনৰ বৃত্তিগত ভৱিষ্যত অন্ধকাৰ কৰি তুলিব পাৰে। সংবাদ লিখোতে মনত ৰাখিবলগীয়া পাঁচটা কথা তলত উল্লেখ কৰা হ'ল।

১) কোনো ঘটনাৰ সাক্ষী বুলি দাবী কৰা ব্যক্তিগৰাকীক প্ৰশ্ন সোধক আৰু তেওঁ কি ঘটিল সেয়া প্ৰকৃততে দেখা পোৱা স্থিতি এটাত আছিল নে নাই সেয়া নিশ্চিত কৰক।

২) আচৰিত যেন লগা আৰু সন্দেহৰ আৱৰ্তত থকা তথ্যৰ সত্যাসত্য পুনৰবাৰ নিৰ্ধাৰণ কৰিবলৈ কোনো দ্বিতীয় উৎস ব্যৱহাৰ কৰক।

৩) সকলো নাম, উপাধি, স্থান দ্বিতীয়বাৰ পৰীক্ষা কৰি সুনিশ্চিত হওঁক আৰু প্ৰয়োজন হ'লে ধ্বনিতাত্ত্বিকভাৱে (Phonetically) নামসমূহৰ উচ্চাৰণ লিখি লওক।

৪) ঘটনা এটা লিখাৰ সময়ত বানান আৰু ব্যাকৰণ সাৱধানে পৰীক্ষা কৰক; সংযোজিত সংখ্যা আৰু অংকবোৰ নিৰ্ভূল কৰি লওঁক।

৫) বক্তা এগৰাকীৰ কথাৰ অৰ্থ বা 'ছাউণ্ডবাইট'ৰ মাজত যাতে সংগতি অক্ষুণ্ণ থাকে তাৰ বাবে সম্পাদনা কালত সঠিক 'ছাউণ্ডবাইট' বাছনি সুনিশ্চিত কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ এটা গুৰুত্বপূৰ্ণ সংবাদ উৎস হিচাপে সংবাদ এজেন্সীসমূহৰ ভূমিকা আলোচনা কৰক।

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ এগৰাকী ফ্রিলান্সাৰে টেলিভিছন সাংবাদিকতাৰ ক্ষেত্রখনত কেনে ধৰণৰ ভূমিকা পালন কৰে?

.....

.....

.....

.....

.....



অনুশীলনী ১৩.১

ক) আপোনাৰ নগৰ/চহৰত থকা টেলিভিছন সংবাদ চেনেল এটাৰ কার্যালয় পৰিদর্শন কৰক। তাত কাম কৰা সাংবাদিকৰ সৈতে কথা পাতি তেওঁলোকৰ সংবাদ উৎস-সমূহ বিচাৰি উলিয়াওক।

.....

.....

.....

খ) ধৰি লওঁক, আপোনাক ২০ জন মানুহ নিহত হোৱা গুৱাহাটীৰ এটা বাছ দুর্ঘটনাৰ সংবাদ গোটাবলৈ কোৱা হ'ল। আপোনাৰ সংবাদ উৎস কোন/কি হ'ব? আপুনি কাম কৰা চেনেলটোৰ বাবে আপুনি দুর্ঘটনাটোৰ বিৱৰণী কেনেদৰে প্রস্তুত কৰিব?

.....

.....

.....

৬.৬টিভি সাংবাদিকতাৰ নতুন ধাৰা (NEW TRENDS IN TV REPORTING)

ষ্টিং অপাৰেশ্যন (Sting Operation) ঃ 'গণসংযোগ আৰু সাংবাদিকতা' পাঠ্যক্রমত আমি ইতিমধ্যে এই বিষয়ে আলোচনা কৰিছো। আইন বলবৎকৰণৰ (Law Enforcement) দৃষ্টিৰে ষ্টিং অপাৰেশ্যন (Sting Operation) মানে হ'ল অপৰাধ কৰা লোকক হাতে-লোটে ধৰা পেলাবলৈ যুগুত কৰি উলিওৱা কপট অভিযান।

আগতেই আলোচনা কৰা হৈছে যে এটা ষ্টিং অপাৰেশ্যনত সাধাৰণতে এগৰাকী আইন বলবৎকাৰী বিভাগৰ বিষয়াক নাইবা ৰাইজৰ মাজৰ সহযোগকাৰী সদস্য এগৰাকীক 'অপৰাধীৰ অংশীদাৰ'ৰ (Criminal Partner) অথবা সম্ভাব্য প্রতাৰণাৰ বলি ব্যক্তিৰ (Potential Victim)

ভূমিকা পালন কৰিবলৈ দিয়া হয়। তেওঁ সন্দেহৰ আৱর্তত থকা ব্যক্তি অথবা দলৰ শৈলী অথবা কাম-কাজৰ অনুসৰণ কৰি সম্ভাব্য অপৰাধীৰ বিশ্বাস জয় কৰি সিহঁতৰ অনৈতিক কাম-কাজ প্ৰমাণ সংগ্ৰহ কৰে। এই অধ্যায়টিত টিভি সংবাদ সংগ্ৰহ আৰু প্ৰতিবেদন দাখিলৰ প্ৰেক্ষাপটত বিষয়টি আৰু কিছু বহলভাৱে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। প্ৰথমে ষ্টিং অপা�ৰেশ্যনৰ বাবে উপযুক্ত দুটামান উমৈহতীয়া পৰিস্থিতিৰ বিষয়ে জানি থওঁ আহক।

- যোগানকাৰীক কৰায়ত্ব কৰিবলৈ অবৈধ ঔষধ কিনা।
- যান-বাহন চোৰক কৰায়ত্ব কৰিবলৈ টোপ হিচাপে বাহন ৰখাই থোৱা (এই কামক হানি ট্ৰেপ/Honey Trap বুলিও জনা যায়)।
- যোগানকাৰীক কৰায়ত্ব কৰিবলৈ শিশু দেহ ব্যৱসায়ৰ প্ৰতি আগ্ৰহী লোকৰ অভিনয় কৰা ইত্যাদি।

সম্প্ৰতি অনুসন্ধানমূলক সাংবাদিকতাৰ (Investigative Journalism) অংশ হিচাপে সংবাদ ছেনেলে বৰ্দ্ধিত হাৰত ষ্টিং অপাৰেশ্যনৰ সহায় লোৱা আৰম্ভ কৰিছে। বিভিন্ন ঠগ-প্ৰৱঞ্চনা, কেলেংকাৰী আৰু ভ্ৰষ্টাচাৰৰ ঘটনা পোহৰলৈ আনিবলৈ এনে অপাৰেশ্যনৰ পন্থা গ্ৰহণ কৰা হয়। এটা ষ্টিং অপাৰেশ্যনৰ সময়ত এগৰাকী সাংবাদিকে এজন ভুৱা ব্যক্তিৰ ভূমিকা পালন কৰে আৰু ঘটনাৰ গুৰিলৈ গৈ তথ্য আহৰণ কৰে। সাধাৰণতে পিন্ধা কাপোৰত অথবা লগত ৰখা বেগত ডিক্টাফোন (Dictaphone) নাইবা গোপন কেমেৰা লুকুৱাই লৈ তেওঁ সন্দেহজনক ব্যক্তিৰ কলংকিত কার্যকলাপ নাইবা অনৈতিক কথা-বতৰা ধৰি ৰখাৰ চেষ্টা কৰে।

একোটা ষ্টিং অপাৰেশ্যনৰ সূচনা কৰা সংবাদিক গৰাকীয়ে সকলো ক্ষেত্ৰতে অত্যন্ত সাৱধানতা অৱলম্বন কৰিব লাগে। কোনো অপাৰেশ্যন আৰম্ভ কৰাৰ আগতে বিষয়টোৰ সৈতে জড়িত সকলো বিপদৰ কথা তেওঁ ভালদৰে চালি-জাৰি চাব লাগে। ভাৰতীয় টেলিভিছন ষ্টিং অপাৰেশ্যনৰ দীঘলীয়া সময়ৰ সাক্ষী। ষ্টিং অপাৰেশ্যনৰ এটা বিখ্যাত উদাহৰণ হ'ল 'তেহেল্‌কা' নামৰ সংবাদ গোষ্ঠীটোৰ মুৰব্বী তৰুণ তেজপালে তদানীন্তন মন্ত্ৰী বাংগাৰু লক্ষ্মণ আৰু তদানীন্তন প্ৰতিৰক্ষা মন্ত্ৰী জৰ্জ ফার্নাণ্ডেজৰ বিৰুদ্ধে চলোৱা অভিযানটো। ইয়াৰ পাছৰ পৰাই বিশেষকৈ অনুসন্ধানমূলক সাংবাদিকতাৰ ক্ষেত্ৰখনত ষ্টিং অপাৰেশ্যনৰ লহৰ উঠা বুলি ক'ব পৰা যায়।

অৱশ্যে বহুতো সংবাদ ছেনেলে নিজৰ 'টি.আৰ.পি.' (TRP) বঢ়াবলৈ বহুতো ভুৱা ষ্টিং অপাৰেশ্যনৰ সহায় লোৱাৰ কথাও পোহৰলৈ আহিছে। ইয়াৰ শেহতীয়া উদাহৰণ এটা হ'ল স্কুল শিক্ষয়িত্ৰী উমা খুৰানাক প্ৰচাৰৰ কেন্দ্ৰবিন্দু কৰি চলোৱা ষ্টিং অপাৰেশ্যনটো। এনে কার্যক অতি অনৈতিক বুলি গণ্য কৰা হয়। এনে ঘটনাসমূহক আইনৰ অনুসন্ধান কার্যৰ অধীনত বিবেচনা কৰি থকা হৈছে। এনে অপাৰেশ্যনৰ বিৰুদ্ধে কঠোৰ বাধা-নিষেধ আৰোপ কৰাৰ সম্ভাৱনা আছে।

ব্ৰেকিং নিউজ (Breaking News) ঃ 'ব্ৰেকিং নিউজ' হ'ল এনে কোনো সর্বশেহতীয়া ঘটনা যিটো সম্প্ৰচাৰিত হৈ থকা অন্য অনুষ্ঠানত ব্যাঘাত জন্মাই সম্প্ৰচাৰ কৰিব পৰাকৈ গুৰুত্বপূর্ণ বুলি সম্প্ৰচাৰকসকলে বিবেচনা কৰে। উমৈহতীয়া টিভি সংজ্ঞামতে 'ব্ৰেকিং নিউজ' ধাৰণাটো প্ৰায়েই কোনো এক মুহূর্তত সবাতোকৈ গুৰুত্বপূর্ণ ঘটনাৰূপে পৰিগণিত হোৱা সংবাদটোৰ ক্ষেত্ৰত

প্রয়োগ কৰা হয়। অথবা 'লাইভ' প্রতিবেদন উপস্থাপন কৰি থকা কোনো সংবাদৰ বাবে 'ব্রেকিং নিউজ' সংজ্ঞাটো ব্যৱহাৰ কৰা হয়। এইবোৰৰ উপৰি দর্শকৰ বৃহত্তৰ স্বার্থৰ সৈতে জড়িত কোনো সংবাদকো এই সংজ্ঞাৰে সামৰি লোৱা হয়।

ঘটনাৰ প্রকাৰ অনুসৰি এনে প্রতিবেদন কেইমিনিটমানৰ অথবা বহুঘণ্টা আৰু বহুদিন ধৰি অহৰহ সম্প্রচাৰিত হৈ থকা বিধৰ হ'ব পাৰে। যদি সংবাদ বিৱৰণী সুদীর্ঘ সময় ধৰি অব্যাহত থাকে তেন্তে সংবাদ নেটৱর্'কটোৱে ঘটনাটো সন্দর্ভত ষ্টুডিঅ'ৰ ভিতৰতে কৰা বিশ্লেষণ, ফোনৰ মাধ্যমেৰে কৰা বিশ্লেষণ, ছেটেলাইট অথবা অন্য সংযোগ মাধ্যমৰ সহায়ত কৰা বিশ্লেষণৰ সমন্বয় সাধন কৰি এক সংহত বিশ্লেষণ আগবঢ়ায়। ২০০৮ চনৰ নৱেম্বৰ মাহত মুম্বাইত হোৱা সন্ত্রাসবাদী আক্রমণৰ ২৪ ঘণ্টাই চলা 'লাইভ' (Live) বিৱৰণী হ'ল ইয়াৰ শেহতীয়া উদাহৰণ। এই আক্রমণ ৬০ ঘণ্টাতকৈও অধিক সময় ধৰি চলিছিল। আক্রমণৰ ভয়াৱহতালৈ লক্ষ্য কৰি অধিকাংশ ৰাষ্ট্রীয় সংবাদ চেনেলে প্রায় সকলোবোৰ অন্য সংবাদৰ বিৱৰণী বাতিল কৰি কেৱল এই আক্রমণটোৰ প্রতি মুহূর্তৰ ৰেহ-ৰূপ নিষ্ঠা সহকাৰে সম্প্রচাৰ কৰিছিল।

অতীজত, অনুষ্ঠানত ব্যাঘাত জন্মোৱা পদ্ধতিটো অতিশয় গুৰুত্বপূর্ণ সংবাদৰ ক্ষেত্রতহে প্রযোজ্য কৰা হৈছিল। কিন্তু বর্তমান ২৪ ঘণ্টাই সংবাদ সম্প্রচাৰ কৰা চেনেলবোৰৰ ক্ষেত্রত ই এক গতানুগতিক কার্যত পৰিণত হৈছে।

ফ্ল্যাশ্ব নিউজ (Flash News) ঃ সংবাদ বিৱৰণী সম্প্রচাৰৰ নৱ বিকশিত ধাৰাবোৰৰ মাজৰে এটা হ'ল ফ্ল্যাশ্ব নিউজ। ব্যৱসায়ভিত্তিক সংবাদ চেনেলবোৰে এই পদ্ধতিটো বহুলভাৱে প্রয়োগ কৰে। ফ্ল্যাশ্ব নিউজবোৰৰ দৈর্ঘ্য সাধাৰণতে অতি সংক্ষিপ্ত হয় আৰু ভইছ অ'ভাৰ অর্থাৎ এটা নেপথ্য কণ্ঠই বাতৰিসমূহ পঢ়ি শুনায় আৰু কেতিয়াবা অন্য অনুষ্ঠান চলি থকা সময়ত টেলিভিছন পর্দাৰ তলভাগত Scrolling পদ্ধতিৰে ফ্লাশ্ব নিউজ দেখুওৱা হয়। অৱশ্যে ফ্ল্যাশ্ব নিউজত ধাৰাভাষ্য (Commentary) নাথাকে। শেহতীয়াভাৱে শিৰোনাম দখল কৰা বাতৰিৰ ক্ষেত্রত আমি ফ্ল্যাশ্ব নিউজৰ প্রয়োগ দেখা পাওঁ। এনে সময়ত সংবাদ কক্ষত বাতৰিটোৰ সৈতে জড়িত বিতং তথ্য অথবা দৃশ্যাংশ নাথাকে বাবে কিছু সময় ফ্ল্যাশ্ব নিউজৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। সংবাদ চেনেল এটাই ফ্ল্যাশ্ব নিউজ সম্প্রচাৰ কৰি থকাৰ মূল কাৰণ হ'ল দর্শকক, ঘটনাটোৰ শেহতীয়া অৱস্থাৰ খবৰ দি থকা আৰু নিজ নিজ চেনেলৰ সৈতে তেওঁলোকক বান্ধি ৰখা। সেইখিনি সময়তে সংবাদ কক্ষই বাতৰিটোৰ বিস্তৃত বিৱৰণী তথা ফুটেজ (Footage) সংগ্রহ কৰাৰ চেষ্টা কৰে। বোমা বিস্ফোৰণ নাইবা তেনে ধৰণৰ অপ্রত্যাশিত দুর্ঘটনাৰ সময়ত সাধাৰণতে ফ্ল্যাশ্ব নিউজৰ ব্যাপক প্রয়োগ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ তলত উল্লেখিতসমূহৰ বিষয়ে চমুকৈ বর্ণনা দিয়ক।

ক) ষ্টিং অপাৰেশ্যন (Sting Operation)

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

খ) ফ্ল্যাশ্ব নিউজ (Flash News)

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

গ) ব্রেকিং নিউজ (Breaking News)

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....



অনুশীলনী ১৩.১

ক) শেহতীয়া সময়ছোৱাত ভাৰতত সংঘটিত কেইটামান প্ৰখ্যাত ষ্টিং অপাৰেশ্যনৰ এক প্ৰতিবেদন যুগুত কৰক।

.....

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপোনালোকক টেলিভিছন সংবাদ সংগ্ৰহ আৰু প্ৰতিবেদন দাখিল কৰাৰ দুটামান প্ৰাথমিক ধাৰণাৰ সৈতে পৰিচয় কৰাই দিয়া হ'ল। এই ধাৰণাসমূহৰ ওপৰত পুনৰ এবাৰ চকু ফুৰাও আহক।

- অতিৰিক্তভাৱে দৃশ্য উপাদান সংলগ্ন হোৱা হেতুকে টিভি নিউজ বুলেটিন এখন যুগুত আৰু প্ৰযোজনা কৰাটো ৰেডিঅ' আৰু বাতৰি কাকতৰ তুলনাত অধিক জটিল। এই জটিলতা অতিক্ৰম কৰিবলৈ টিভি সংবাদৰ বাবে এটা বৃহৎ প্ৰযোজনা দল থাকে আৰু বুলেটিন এখন যুগুত কৰিবলৈ অধিক সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন।
- বৈদ্যুতিক সংবাদ সংগ্ৰহ (ENG) হ'ল এনে এটা প্ৰযুক্তি যিটোৱে বিশ্বৰ বিভিন্ন স্থানৰ মাজত তথ্য বিনিময়ৰ বিভক্তি শক্তিৰ আমূল পৰিৱৰ্তন সাধন কৰিছে। বৈদ্যুতিক সংবাদ সংগ্ৰহ (ENG) হ'ল বৈদ্যুতিক ক্ষেত্ৰভিত্তিক প্ৰযোজনাৰ (EFP) এটা অংশ।
- বৈদ্যুতিক ক্ষেত্ৰভিত্তিক প্ৰযোজনাৰ (EFP) অধীনত বিভিন্নপ্ৰকাৰৰ ক্ষেত্ৰভিত্তিক প্ৰযোজনা সামৰি লোৱা হয়। ইয়াৰে দুটামান উদাহৰণ হ'ল— বিজ্ঞাপন, মিউজিক ভিডিঅ', ক্ষেত্ৰভিত্তিক নাট্য প্ৰযোজনা তথা বিভিন্ন ধৰণৰ ক্ৰীড়া বিৱৰণী।
- টেলিভিছন সংবাদৰ প্ৰাথমিক উৎস হৈছে সংবাদ তাঁৰ সেৱা (News Wire Services)।

প্রেছ ট্রাষ্ট অৱ ইণ্ডিয়া (PTI) আৰু ইউনাইটেড নিউজ অফ ইণ্ডিয়াৰ (UNI) দৰে অন্য সংবাদ এজেন্সীয়ে আগবঢ়োৱা তথ্যক এই সেৱাৰ অধীনত সামৰি লোৱা হয়।

- বৃত্তিগতভাৱে সেৱা আগবঢ়োৱা সংবাদ এজেন্সীবোৰৰ সেৱা গ্ৰহণ কৰাৰ উপৰিও বহুতো সংবাদ প্ৰযোজনা প্ৰতিষ্ঠানে নিজাববীয়াকৈ সংবাদদাতা, ষ্টাফ সাংবাদিক, কেমেৰা গোট আৰু ষ্ট্ৰিংগাৰক নিযুক্তি দিয়ে।
- বিভিন্ন ষ্টুডিঅ' আৰু ষ্টেশ্যনে ইটোৱে সিটোৰ পৰা তাঁৰ সেৱা আৰু স্থিৰ চিত্ৰ ধাৰলৈ লয় অথবা ধাৰে দিয়ে। জৰুৰী সংবাদৰ বাবে অধিকাংশ টেলিভিছন ষ্টেশ্যনে ৰেডিঅ'ৰ বাতৰি আৰু ৰেডিঅ'ই টেলিভিছনৰ বাতৰি নিৰীক্ষণ কৰে।
- সাংবাদিকৰ বাবে বিভিন্ন ধৰণৰ সংগৃহীত ৰাজহুৱা তথ্য সহজলভ্য। স্থানীয়, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় আইন অনুসৰি ৰাজহুৱা তথ্যৰূপে নিৰ্ধাৰিত এনে নথি-পত্ৰৰ ভিতৰত থাকে বিভিন্ন চৰকাৰী প্ৰতিবেদন, ন্যায়ালয়ৰ নথি-পত্ৰ, পুলিচৰ প্ৰতিবেদন, নগৰ পৰিষদৰ কাৰ্যক্ৰমণিকা আদি।
- সম্প্ৰতি বিভিন্ন ঠগ-প্ৰৱঞ্চনা, কেলেংকাৰী আৰু ভ্ৰষ্টাচাৰৰ ঘটনা পোহৰলৈ আনিবলৈ বিভিন্ন সংবাদ ছেনেলে বৰ্ধিত হাৰত ষ্টিং অপাৰেশ্যনৰ সহায় লোৱা আৰম্ভ কৰিছে। এটা ষ্টিং অপাৰেশ্যনৰ সময়ত এগৰাকী সাংবাদিকে এজন ভু�ৱা ব্যক্তিৰ ভূমিকা পালন কৰে আৰু ঘটনাৰ গুৰিলৈ গৈ তথ্য আহৰণ কৰে।
- ব্ৰেকিং নিউজ হ'ল এনে কোনো সৰ্ব শেহতীয়া ঘটনা যিটো সম্প্ৰচাৰিত হৈ থকা অন্য অনুষ্ঠানত ব্যাঘাত জন্মাই সম্প্ৰচাৰ কৰিব পৰাকৈ গুৰুত্বপূৰ্ণ বুলি সম্প্ৰচাৰকসকলে বিবেচনা কৰে।
- সংবাদ বিৱৰণী সম্প্ৰচাৰৰ নৱ বিকশিত ধাৰাবোৰৰ মাজৰে এটা হ'ল ফ্ল্যাশ্ব নিউজ। ব্যৱসায়ভিত্তিক সংবাদ চেনেলবোৰে এই পদ্ধতিটো বহুলভাৱে প্ৰয়োগ কৰে। ফ্ল্যাশ্ব নিউজবোৰৰ দৈৰ্ঘ্য সাধাৰণতে অতি সংক্ষিপ্ত হয় আৰু ভইছ অ'ভাৰ অৰ্থাৎ এটা নেপথ্য কণ্ঠই বাতৰিসমূহ পঢ়ি শুনায় অথবা অন্য অনুষ্ঠান চলি থকা সময়ত টিভি পৰ্দাৰ তলৰ অংশত Scrolling পদ্ধতিৰে দেখুৱায়।



১৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Belavadi, Vasuli (2013), *Video Production*, Oxford University Press.

2) Donald, Ralph, Maynard, Riley and Spann, Thomas (2007), *Fundamentals of Television Production*, Allyn & Bacon, Incorporated.

3) Hyde, Stuart (2008), T*elevision and Radio Announcing*, Allyn & Bacon, Incorporated.

4) Hakemulder, Jan R., Fay, A. C. de Jonge, Singh, P. P. (1998), *Media, Ethics and Laws*, Anmol Publications.

5) Kaushik, Sharda (2000), *Script To Screen – An Introduction to TV Journalism*, Macmillan India Ltd.

6) Zettl, Herbert (2012), *Television Production Handbook*, Cengage Learning, USA.

১৩.৯ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃই.এফ.পি. (EFP) অথবা বৈদ্যুতিক ক্ষেত্রভিত্তিক প্রযোজনা (Electronic Field Production) মানে হ'ল বাস্তৱিক স্থান এডোখৰত নাইবা কোনো বিশেষ ঠাইত নির্মাণ কৰা টিভি অনুষ্ঠান। অনুষ্ঠানসমূহ ষ্টুডিঅ'ৰ বাহিৰত নির্মিত হ'ব লাগিব। ই.ফ.পি.-এ বিভিন্ন প্রকাৰৰ ক্ষেত্রভিত্তিক প্রযোজনাক সামৰি লয়। উদাহৰণ— বঁটা বিতৰণী সভা, বিচিত্রানুষ্ঠান, কনছার্ট, ৰাজনৈতিক অধিবেশন, ক্রীড়া সমাৰোহ ইত্যাদি। ই.এফ.পি. অনুষ্ঠানসমূহত সাধাৰণতে উচ্চমান বিশিষ্ট দৃশ্য-শ্রব্য উপাদান পৰিৱেশন কৰা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃআজিকালি সাংবাদিক এগৰাকীৰ থাকিবলগীয়া অতি প্রয়োজনীয় অর্হতা এটা হ'ল কম্পিউটাৰ, ফেক্স মেছিন, কপিয়াৰ আদি সততে ব্যৱহৃত কার্যালয় সংলগ্ন যন্ত্র-পাতি ব্যৱহাৰ কৰিবলৈ জনাটো। সাংবাদিক এগৰাকীয়ে উমৈহতীয়া টেলিভিছন সংবাদ কক্ষ কম্পিউটাৰ পদ্ধতি আৰু ছ'ফ্টৱেৰৰ ব্যৱহাৰ জানিব লাগে তথা এই সম্পর্কে পর্যাপ্ত জ্ঞান থকা উচিত। লগতে তেওঁৰ নতুন ছ'ফ্টৱেৰৰ পদ্ধতি সম্পর্কে শিকাৰো সামর্থ থাকিব লাগে। সাংবাদিক এগৰাকী কার্যালয়ৰ কার্যকৰী তথা কার্যালয় নীতি আৰু প্রক্রিয়াসমূহৰ বিষয়েও সম্পূর্ণ জ্ঞাত হ'ব লাগিব। তেওঁৰ সংবাদৰ ভিডিঅ' সম্পাদনা পদ্ধতি, নন-লিনীয়াৰ পদ্ধতি আৰু/অথবা ডেস্ক্'টপভিত্তিক সম্পাদনা সম্পর্কে কিছু পূর্ব অভিজ্ঞতা নাইবা কাম চলাবপৰা বিধৰ জ্ঞান থকা উচিত। এগৰাকী টিভি সাংবাদিকৰ কেমেৰা চলোৱাৰ কৌশল সম্পর্কেও কিছু প্রাথমিক জ্ঞান থাকিব লাগে।

৩নং প্ৰশ্নৰ উত্তৰ ঃটেলিভিছন সংবাদৰ প্রাথমিক উৎস হৈছে সংবাদ তাঁৰ সেৱা (NWS) অথবা প্রেছ ট্রাষ্ট অফ ইণ্ডিয়া (PTI) আৰু ইউনাইটেড নিউজ অৱ ইণ্ডিয়াকে (UNI) আদি কৰি আন বহুতো সংবাদ এজেন্সীয়ে আগবঢ়োৱা তথ্য। তাঁৰ সেৱাই প্রেৰণ কৰা স্থিৰ চিত্রসমূহো টেলিভিছন সংবাদত অন্তর্ভুক্ত কৰা হয়। গতিশীল ছবি সহজলভ্য নোহোৱা শেহতীয়া 'ব্রেকিং নিউজ' অর্থাৎ হঠাতে বাতৰিৰ শিৰোনাম দখল কৰা সংবাদৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য। সংবাদ

সংগ্রহ আৰু সংবাদ বিতৰণৰ কামত জড়িত আন্তঃৰাষ্ট্রীয় পর্যায়ৰ তথ্য যোগান ধৰি সংবাদ চাহিদা পূৰণ কৰা আন কেইটামান সংবাদ এজেন্সী হ'ল উপসাগৰীয় যুদ্ধৰ সময়ত টেলিভিছ্ন সংবাদৰ প্রতিবেদন দাখিল কৰাৰ শৈলীটোৰ আমূল পৰিৱর্তন সাধন কৰা কেবল্ নিউজ নে'টৱর্ক (CNN), ক'নাছ (CONUS), এছ'চিয়েট প্রেছ (AP) আৰু ইউনাইটেড প্রেছ ইণ্টাৰনেশ্যনেল (UPI)। টিভি/ৰেডিঅ' সংবাদ প্রচাৰ নিগম তথা সদস্য ষ্টেশ্যনৰ মালিকীস্বত্ব থকা প্রতিষ্ঠানৰ লগতে বাতৰি-কাকতেও সংবাদ স্রোতৰ সুচল প্রবাহ অব্যাহত ৰাখে। এই ক্ষেত্রত এজেন্সীবোৰে পালন কৰা ভূমিকাৰ বাবে ৰয়টাৰছ (Reuters), এ.এন.আই. (ANI) আৰু ইউ.পি.আইৰ (UPI) দৰে এজেন্সীবোৰক প্রায়েই 'টাউন ক্রায়াৰছ' বুলি (Town Criers) অভিহিত কৰা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃদুর্ঘটনা, অগ্নিকাণ্ড, বানপানী, ভূমিকম্প আদিৰ দৰে ঘটনাবোৰৰ ঘটনাস্থলীতে তথ্য সংগ্রহকৰাৰ প্রক্রিয়াটো ষ্টাফ সংবাদদাতাৰ বাবে প্রায়েই দুৰূহ হৈ পৰে। ঘটনাটো ঘটাৰ সময়ত তেওঁলোকে ঘটনাস্থলীত উপস্থিত নাথাকিবও পাৰে। এনে ঘটনাবোৰ কেতিয়াবা অঞ্চলটো ভ্রমি ফুৰা 'ফ্রীলান্স' কেমেৰা পার্ছনে নিজ কেমেৰাৰে ধৰি ৰাখে। তেওঁলোকক ষ্ট্রিংগাৰ বুলি জনা যায়। অপ্রত্যাশিত সংবাদৰ বাবে টিভি ষ্টেশ্যনবোৰে প্রায়েই ষ্ট্রিংগাৰৰ ওপৰতে নির্ভৰ কৰিবলগীয়া হয়। ষ্টাফ সংবাদদাতা সঠিক সময়ত ঘটনাস্থলীত উপস্থিত হ'ব নোৱাৰা বাবেই বহুক্ষেত্রত এনে কৰিবলগীয়া হয়।

৫নং প্রশ্নৰ উত্তৰ ঃক) ষ্টিং অপাৰেশ্যন (Sting Operation) ঃ আইন বলবৎকৰণৰ দৃষ্টিৰে ষ্টিং অপাৰেশ্যন মানে হ'ল অপৰাধ কৰা লোকক হাতে-লোটে ধৰা পেলাবলৈ যুগুত কৰি উলিওৱা কপট অভিযান। এটা ষ্টিং অপাৰেশ্যনৰ সময়ত এগৰাকী আইন বলবৎকাৰী বিভাগৰ বিষয়াক নাইবা ৰাইজৰ মাজৰে সহযোগকাৰী সদস্য এগৰাকীক 'অপৰাধী'ৰ অংশীদাৰ অথবা সম্ভাব্য প্রতাৰণাৰ বলি ব্যক্তিৰ ভূমিকা পালন কৰিবলৈ দিয়া হয়। তেওঁ সন্দেহৰ আৱর্তত থকা ব্যক্তি অথবা দলৰ শৈলী অথবা কাম-কাজ অনুসৰণ কৰি সম্ভাব্য অপৰাধীৰ বিশ্বাস জয় কৰি সিহঁতৰ অনৈতিক কাম-কাজৰ প্রমাণ সংগ্রহ কৰে। ষ্টিং অপাৰেশ্যনৰ দুটামান উমৈহতীয়া পৰিস্থিতি হ'ল—

- যোগানকাৰীক কৰায়ত্ব কৰিবলৈ অবৈধ ঔষধ কিনা।
- যান-বাহন চোৰক কৰায়ত্ব কৰিবলৈ টোপ হিচাপে বাহন ৰখাই থোৱা (এই কামক 'হানি ট্রেপ' বুলিও জনা যায়)।
- যোগানকাৰীক কৰায়ত্ব কৰিবলৈ শিশু দেহ ব্যৱসায়ৰ প্রতি আগ্রহী লোকৰ অভিনয় কৰা ইত্যাদি।

খ) ফ্ল্যাশ্ব নিউজ (Flash News) ঃ সংবাদ বিৱৰণী সম্প্রচাৰৰ নৱ বিকশিত ধাৰাবোৰৰ মাজৰে এটা হ'ল ফ্ল্যাশ্ব নিউজ। ব্যৱসায়ভিত্তিক সংবাদ চেনেলবোৰে এই পদ্ধতিটো বহুলভাৱে প্রয়োগ কৰে। ফ্ল্যাশ্ব নিউজবোৰৰ দৈর্ঘ্য সাধাৰণতে অতি সংক্ষিপ্ত হয় আৰু ভইছ অ'ভাৰ অর্থাৎ এটা নেপথ্য কণ্ঠই বাতৰিসমূহ পঢ়ি শুনায়। অৱশ্যে ফ্ল্যাশ্ব নিউজত ধাৰাভাষ্য নাথাকে। শেহতীয়াভাৱে শিৰোনাম দখল কৰা বাতৰিৰ ক্ষেত্রত আমি ফ্ল্যাশ্ব নিউজৰ প্রয়োগ দেখা পাওঁ।

এনে সময়ত সংবাদ কক্ষত বাতৰিটোৰ সৈতে জড়িত বিতং তথ্য অথবা দৃশ্যাংশ নাথাকে বাবে কিছু সময় ফ্ল্যাশ্ব নিউজৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। সংবাদ চেনেল এটাই ফ্ল্যাশ্ব নিউজ সম্প্রচাৰ কৰি থকাৰ মূল কাৰণ হ'ল দর্শকক, ঘটনাটোৰ শেহতীয়া অৱস্থাৰ খবৰ দি থকা আৰু নিজ নিজ চেনেলৰ সৈতে তেওঁলোকক বান্ধি ৰখা। সেইখিনি সময়তে সংবাদ কক্ষই বাতৰিটোৰ বিস্তৃত বিৱৰণী তথা ফুটেজ (Footage) সংগ্রহ কৰাৰ চেষ্টা কৰে। বোমা বিস্ফোৰণ নাইবা তেনে ধৰণৰ অপ্রত্যাশিত দূর্ঘটনাৰ সময়ত সাধাৰণতে ফ্ল্যাশ্ব নিউজৰ ব্যাপক প্রয়োগ হয়।

গ) **ব্রেকিং নিউজ (Breaking News) ঃ** 'ব্রেকিং নিউজ' হ'ল এনে কোনো সর্বশেহতীয়া ঘটনা যিটো সম্প্রচাৰিত হৈ থকা অন্য অনুষ্ঠানত ব্যাঘাত জন্মাই সম্প্রচাৰ কৰিব পৰাকৈ গুৰুত্বপূর্ণ বুলি সম্প্রচাৰকসকলে বিবেচনা কৰে। উমৈহতীয়া টিভি সংজ্ঞামতে 'ব্রেকিং নিউজ' মানে হ'ল কোনো এক মুহূর্তত সবাতোকৈ গুৰুত্বপূর্ণ ঘটনাৰূপে পৰিগণিত হোৱা সংবাদ অথবা 'লাইভ' প্রতিবেদন উপস্থাপন কৰি থকা সংবাদ। এইবোৰৰ উপৰি দর্শকৰ বৃহত্তৰ স্বার্থৰ সৈতে জড়িত কোনো সংবাদকো এই সংজ্ঞাৰে সামৰি লোৱা হয়।

বিশেষ প্রতিবেদন অথবা ব্রেকিং নিউজৰ উমৈহতীয়া টেলিভিছন উপস্থাপন পদ্ধতি হ'ল একোটা প্রাৰম্ভিক গ্রাফিক য'ত সংগীত সংযোজিত কৰা হয়। ঘটনাটোৰ গুৰুত্ব জোৰ দি বুজাবলৈকে সংগীত ব্যৱহাৰ কৰা হয়। তাৰপাছত সাধাৰণতে সংবাদ এংকৰৰ পৰিচয় পর্বটো আহে। এংকৰে দর্শকক বাতৰি অনুষ্ঠানলৈ স্বাগতম জনায় আৰু হাতত থকা ঘটনাসমূহৰ সংক্ষিপ্ত বর্ণনা উপস্থাপন কৰে।



১৩.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ভাৰত চৰকাৰে কেতিয়া ইণ্টাৰনে'ট ছার্ভিচ প্রভাইডাৰ মুকলি কৰিছিল?

প্রশ্ন ২ ঃ উপসাগৰীয় যুদ্ধৰ সময়ত টেলিভিছন সংবাদৰ প্রতিবেদন দাখিল কৰাৰ শৈলীটোৰ আমূল পৰিৱর্তন সাধন কৰা নিউজ চেনেলৰ নাম কি?

প্রশ্ন ৩ ঃ পাপা ৰাজ্জী কোন?

খ) চুটি প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বেক্‌পেক্‌ জার্ণেলিষ্ট (Backpack Journalist) বুলিলে কি বুজে? তেওঁলোক এটা সংবাদ প্রতিষ্ঠানৰ দ্বাৰা নিয়োজিত নিয়মীয়া সাংবাদিকৰ পৰা কি ক্ষেত্রত ভিন্ন?

প্রশ্ন ২ ঃ আপুনি ভাবে নেকি যে এক প্রতিযোগিতামুখ প্রচাৰ মাধ্যমৰ বজাৰত টেলিভিছনৰ বাতৰি ক্ষেত্রত বস্তুনিষ্ঠতা অটুট ৰখাতো সম্ভৱপৰ?

প্রশ্ন ৩ ঃ তলৰ বিষয়সমূহৰ চমুটোকা লিখক—

ক) ব্রেকিং নিউজ

খ) ষ্ট্রিং অপাৰেশ্যন

গ) অনুসন্ধানমূলক সাংবাদিকতা

গ) ৰচনাধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ এজন টিভি সাংবাদিকৰ কর্তব্য, গুণ আৰু দায়িত্বৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ টেলিভিছন সংবাদ উদ্যোগৰ সাম্প্রতিক পটভূমি আলোচনা কৰক।

প্রশ্ন ৩ ঃ টেলিভিছনৰ বাবে সংবাদৰ প্রধান উৎস কোনবোৰ?

প্রশ্ন ৪ ঃ প্রতিদ্বন্দ্বিতামূলক প্রচাৰ মাধ্যমৰ বজাৰখনলৈ চাই টেলিভিছন সংবাদ প্রতিবেদনত যথার্থতা অক্ষুণ্ণ ৰখা সম্ভৱ বুলি আপুনি ভাবেনে?

*** ***** ***